> *বিহুৰ বাৰেবৰণীয়া কলা-কৃষ্টিখিনিৰ সংৰক্ষণ, ৰক্ষণাবেক্ষণ, প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যে সুদীৰ্ঘ ছটা দশকতকৈও অধিক কাল তেওঁ অতি নিষ্ঠাসহকাৰে চলাই গ'ল আশাশুধীয়া নিৰলস প্ৰচেষ্টা। বিহুনাচ, বিহুনাম আৰু বিহুবাদ্যসমূহৰ স্বকীয় বৈশিষ্ট্যসম্পন্ন আৰু শুদ্ধৰূপৰ পৰিৱেশনৰ বিভিন্ন খুঁটি-নাটি, ত্ৰুটি-বিচ্যুতি ইত্যাদিৰ উপৰি বিহু অনুষ্ঠানকেইটাৰ ৰীতি-নীতিসমূহৰ সন্দৰ্ভতো সকলো পক্ষৰ দৃষ্টি আকৰ্ষণ কৰি গ'ল সময়োচিতভাৱে, প্ৰয়োজনসাপেক্ষে আৰু তৎপৰতাৰে।*

# বিহু সংস্কৃতিলৈ জয়কান্ত গন্ধীয়াৰ সুদূৰপ্ৰসাৰী বৰঙণি

ড° প্ৰদীপ নেওগ

৩১খন উপন্যাস, ১৩খন গল্প সংকলন, দুখন শিশু গ্ৰন্থ আৰু ১৬খন তথ্যসমৃদ্ধ গ্ৰন্থৰে মুঠ ৬২খন গ্ৰন্থ আৰু শতাধিক মূল্যবান প্ৰবন্ধ প্ৰণয়নেৰে সদ্য প্ৰয়াত জয়কান্ত গন্ধীয়াই অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে । এইজনা বৰেণ্য লোককৃষ্টিৰ সাধকৰ বিহু সংস্কৃতিলৈ বৰঙণি অতি বিশিষ্ট, সবল আৰু সুদূৰপ্ৰসাৰী । এই লেখাত বিহুৰ কলা-কৃষ্টিৰাজিৰ শুদ্ধ আৰু পৰিগৃহীত ৰূপৰ সংৰক্ষণ, ৰক্ষণাবেক্ষণ, প্ৰসাৰৰ বাটকটীয়া আৰু গুৰি ধৰোঁতা হিচাপে জয়কান্ত গন্ধীয়াৰ কেইটামান বিশেষ বৰঙণিৰ চমু আভাস দাঙি ধৰিবৰ প্ৰয়াস কৰা হৈছে।

## বিহুৰ কলা-কৃষ্টিৰাজিৰ স্বকীয়তা ৰক্ষণাবেক্ষণত বৰঙণি

মঞ্চভিত্তিক বিহুতলী আয়োজনৰ ব্যৱস্থাপনাই পোখা মেলিছিল বিংশ শতাব্দীৰ আৰম্ভণিতে। সেয়ে হ'লেও সত্তৰৰ দশকৰ মাজভাগৰ পৰাহে এই ব্যৱস্থাপনাই বহুল প্ৰসাৰ লাভ কৰিবলৈ ধৰিলে। তাৰ আগলৈকে এনে বিহুতলীৰ সংখ্যা আনুমানিক কুৰিখনৰো কম আছিল। সত্তৰৰ দশকৰ শেষৰ বছৰকেইটাত মঞ্চভিত্তিক বিহুতলীৰ সংখ্যা আনুমানিক তিনিকুৰিৰো অধিক হ'লগৈ, আৰু ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ল'লে। নগৰৰ উপৰি গ্ৰামাঞ্চলতো মঞ্চভিত্তিক বিহুতলী অনুষ্ঠিত হ'বলৈ ধৰিলে। সিবিলাকত আন অসমীয়া কলা-কৃষ্টিৰ অনুষ্ঠানৰ উপৰি মুখ্যতঃ পৰিৱেশন হ'বলৈ ধৰিলে বিহুনাচ, বিহুবাদ্য আৰু বিহুৰ পৰম্পৰাগত গীত-নাচৰ অনুষ্ঠানকেইটা। এইবোৰৰ দুই প্ৰকাৰৰ পৰিৱেশনে প্ৰসাৰ লাভ কৰিলে—বিহু প্ৰতিযোগিতা হিচাপে আৰু প্ৰদৰ্শনমূলক পৰিৱেশন হিচাপে। পিছে সেই পৰিপ্ৰেক্ষিতত গা কৰি উঠিল এটা বিশেষ সমস্যা। বিহুতলীবিলাকত পৰিৱেশিত বিহুনাচ আৰু বিহুৰ পৰম্পৰাগত গীত-নাচৰ অনুষ্ঠানত কিছুমান বিজতৰীয়া প্ৰভাৱ পৰিবলৈ ল'লে। বিহুনাচত সংযোজিত হ'বলৈ ধৰিলে ভাৰত নাট্যম, সত্ৰীয়া, কুছিপুড়ি, ভাংৰা আদিৰ অনুকৰণত কিছুমান নতুনকৈ সৃষ্টি কৰা ভংগিমা, মুদ্ৰা, পদচালনা ইত্যাদি। সেই বিশেষ সন্ধিক্ষণত বিহুনাচৰ স্বকীয় বৈশিষ্ট্য বিনষ্ট কৰা এনে সংযোজন ৰোধ কৰি স্বকীয় ৰূপৰ পৰিৱেশন আৰু সংৰক্ষণৰ বাবে জয়কান্ত গন্ধীয়া উঠি-পৰি লাগিল। প্ৰান্তিককে মুখ্য কৰি বিভিন্ন আলোচনী আৰু বাতৰিকাকতত তেখেতৰ এই বিষয়ক যুক্তিপূৰ্ণ আৰু চোকা ভাষাৰ তথ্যভিত্তিক প্ৰবন্ধ প্ৰকাশ পালে। তেখেতক অনুসৰণ কৰি আন কিছুসংখ্যক লেখকেও একে উদ্দেশ্যেৰে প্ৰবন্ধ-পাতি প্ৰকাশ কৰিলে। তদুপৰি বিহু সংস্কৃতিৰ প্ৰসাৰ আৰু বিকাশত জড়িত নিষ্ঠাবান সাংস্কৃতিক ব্যক্তি আৰু সংগঠনৰ দ্বাৰা ভালেমান বিহুতলীত সভা-সমিতিও আয়োজিত হ'ল। সিবিলাকত গন্ধীয়াকে মুখ্য কৰি অভিজ্ঞ সমল ব্যক্তিসকলে মননশীল বক্তব্য আগবঢ়াইছিল। ফলস্বৰূপে আশীৰ দশকটোৰ ভিতৰতে বিহুনাচত উপৰ্যুক্ত বিজতৰীয়া সংযোজন প্ৰায় সমূলঞ্চে আঁতৰিল। গন্ধীয়া প্ৰতিষ্ঠিত হৈ পৰিল এই উদ্দেশ্যৰ এগৰাকী বিশিষ্ট বাটকটীয়া লেখক হিচাপে।

সেয়াই আৰম্ভণি। তাৰ পাছৰ পৰা বিহুৰ বাৰেবৰণীয়া কলা-কৃষ্টিখিনিৰ সংৰক্ষণ, ৰক্ষণাবেক্ষণ, প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যে সুদীৰ্ঘ ছটা দশকতকৈও অধিক কাল তেওঁ অতি নিষ্ঠাসহকাৰে চলাই গ'ল আশাশুধীয়া নিৰলস প্ৰচেষ্টা। বিহুনাচ, বিহুনাম আৰু বিহুবাদ্যসমূহৰ স্বকীয় বৈশিষ্ট্যসম্পন্ন আৰু শুদ্ধৰূপৰ পৰিৱেশনৰ বিভিন্ন খুঁটি-নাটি, ত্ৰুটি-বিচ্যুতি ইত্যাদিৰ উপৰি বিহু অনুষ্ঠানকেইটাৰ ৰীতি-নীতিসমূহৰ সন্দৰ্ভতো সকলো পক্ষৰ দৃষ্টি আকৰ্ষণ কৰি গ'ল সময়োচিতভাৱে, প্ৰয়োজনসাপেক্ষে আৰু তৎপৰতাৰে।

আশীৰ দশকৰ আৰম্ভণিৰ পৰা পশ্চিমীয়া বাদ্যযন্ত্ৰৰ সংগতত পৰম্পৰাগত বিহুনামৰ সুৰ, তাল, লয়ক কিছুপৰিমাণে ভিন্ন কৰি পৰিৱেশন কৰা গীতৰ শ্ৰাব্য কেছেটৰ প্ৰস্তুত আৰু প্ৰচাৰ জোৰদাৰ হ'বলৈ ধৰিলে। পাছৰ দশকবোৰত সেই ধাৰা ছিডি আৰু ভিছিডিৰ মাধ্যমৰ যোগেদি চলি থাকিল। এই ধাৰাটোৱে যাতে বিহুনামৰ স্বকীয়তা বিনষ্ট কৰিব নোৱাৰে, আৰু পৰম্পৰাগত বিহুনামসমূহ যাতে স্বকীয় বৈশিষ্ট্য অটুট থকাকৈ বৰ্তি থাকে তাৰ উদ্দেশ্যেৰে জয়কান্ত গন্ধীয়াই সেই তেতিয়াৰে পৰা আজীৱন আশাশুধীয়া সংগ্ৰাম চলাই গ'ল। পশ্চিমীয়া বাদ্যযন্ত্ৰ সংগত কৰি পৰিৱেশন কৰা সেই গীতবিলাক যে বিহুগীত নহয়, আৰু এনে গীতক বিহুগীত বুলি প্ৰচাৰ কৰিলে যে বিহুনাম বা বিহুগীতৰ স্বকীয়তা বিনষ্ট হয় তাৰ পুংখানুপুংখ বিশ্লেষণ দাঙি ধৰি সংশ্লিষ্টসকলক সজোৰে আহ্বান জনাই গ'ল তেনে প্ৰচেষ্টাৰ পৰা বিৰত থাকিবলৈ। তদুপৰি কৃষ্টিপ্ৰেমীসকলক আহ্বান জনালে কেছেট, ছিডি আৰু ভিছিডিৰ মাধ্যমত স্বকীয় ৰূপত বিহুনাম আৰু বিহুনাচৰ প্ৰচাৰ কৰিবলৈ। একাধিক লেখা আৰু ভাষণত প্ৰকাশিত তেখেতৰ এইবিষয়ক তথ্য, বিশ্লেষণ আৰু মতামত আছিল অতি মননশীল, স্পষ্ট আৰু বলিষ্ঠ।

## বিহু প্ৰতিযোগিতাবিলাকৰ নিয়মাৱলী প্ৰস্তুতত বৰঙণি

সত্তৰৰ দশকত বিহু প্ৰতিযোগিতাবিলাকৰ সদৌ অসম ভিত্তিক নিয়মাৱলীৰ প্ৰয়োজন জৰুৰীভাৱে উপলব্ধি হোৱা নাছিল। কাৰণ বিহুতলীৰ সংখ্যা আছিল কম। অঞ্চলভিত্তিক নাইবা জিলাভিত্তিক নিয়মাৱলী প্ৰস্তুত হৈছিল,